## আত্মজীৱনী

ব্যক্তিবিশেষে নিজৰ জীৱন সম্বন্ধে বিশদভাৱে আৰু সদৰি কৰি লিখা বিৱৰণকে আত্ম-জীৱনী বোলা হয়। ড° জনছনৰ মতে এজন লোকৰ জীৱনী সেইজন লোকতকৈ ভালকৈ আন কোনেও লিখিব নোৱাৰে। যিহেতু লেখকে নিজেই তেওঁৰ জীৱনৰ কথা লিখে, সেইবাবে আত্ম-

জীৱনীত প্ৰকাশিত তথ্যসমূহ সন্দেহৰ ঊৰ্দ্ধ'ত বুলি সাধাৰণতে বিশ্বাস কৰা হয়। কিন্তু এই কথা সৰ্বদাই সঁচা নহয়, কাৰণ বহুতো ক্ষেত্ৰত আত্মজীৱনী লেখকে নিজৰ জীৱনৰ বিভিন্ন কথা, যাইকৈ বাল্যকালৰ বহুতো কথা, কষ্টেৰে মনত পেলাই পেলাই বা বয়সিয়াল আত্মীয়-কুটুম্বক সুধি-পুচি লিখিব লগা হয় আৰু সেইবাবে সেইবোৰ কথাই পূৰ্ণমাত্ৰাই নির্ভৰশীলতাৰ দাবী কৰিব নোৱাৰে। নিজৰ দোষ লুকুৱাই ৰাখিবলৈ ইচ্ছুক বা যত্নপৰ হোৱাটো মানুহ মাত্ৰৰে সাধাৰণ দুৰ্বলতা আৰু এই দুৰ্বলতাৰপৰা আত্মজীৱনী লেখকো মুক্ত নহয়। ফলত বহুতো ক্ষেত্ৰত দেখা যায় যে আত্মজীৱনী লেখকে তেওঁৰ নিজৰ বাবে অপযশস্কৰ কথাবোৰ ঢাকি ৰাখি, যশস্কৰ কথাবোৰহে প্ৰকাশ কৰিবলৈ যত্নপৰ হয়। বহুতে আকৌ নিজকে ডাঙৰ কৰি দেখুৱাবলৈ সজা কথাবো অৱতাৰণা কৰে তথ্যৰ বিকৃতি ঘটায় বা অতিৰঞ্জন কৰে। বোধহয় এনেবোৰ সম্ভাব্য দুৰ্বলতাৰ কথা মনত ৰাখিয়েই বাৰ্নাড' শ্বই 'আত্মজীৱনী মাত্ৰেই মিছা কথাৰ ভঁৰাল' বুলি মন্তব্য দিছিল ( All autobiographies are lies.' )।

বহুতো ক্ষেত্ৰত আত্মজীৱনী লেখকে নিজৰ পৈণত অভিজ্ঞতাপুষ্ট বয়সৰ দৃষ্টিভংগীৰে তেওঁৰ বিগত দিনৰ, যাইকৈ যৌৱনৰ, ঘটনাৱাজিৰ বিচাৰ কৰিবলৈ প্ৰয়াস কৰে; স্বাভাৱিকতেই এনে দৃষ্টিভংগীও নিৰ্বিচাৰে গ্ৰহণযোগ্য হ'ব নোৱাৰে। নিজৰ জীৱন সম্বন্ধে আদত কথাষাৰ (the truth of one's life) কোনো আত্মজীৱনী লেখকেই ক'ব পাৰে বুলি ভাঠি ক'ব নোৱাৰি। কোনো কোনো লেখকে আকৌ নিজৰ সম্বন্ধে ইচ্ছাকৃতভাৱে কিছুমান গ্লানিজনক কথাও প্ৰকাশ কৰে; সেইবোৰো সদায় সঁচা নহ'ব পাৰে। নিজ জীৱনৰ প্ৰতি পাঠকক কৌতূহলী কৰি তোলাই এনে কাৰ্য্যৰ উদ্দেশ্য বুলি ক'ব পাৰি। সেইবাবেই ছমাৰছেট মমে কোৱা কথাত হয়ভৰ দি ক'ব পাৰি যে কোনো আত্মজীৱনীয়েই জীৱনবিশেষৰ সম্বন্ধে সমগ্ৰ সত্যৰ সন্ধান নিদিয়ে।

আত্মজীৱনী মাত্ৰেই লেখকৰ অন্তৰ্জীৱনৰ পৰিচয় দিব পাৰিব লাগে। আৰু তাৰ বাবে প্ৰয়োজন হয় বিশ্লেষণাত্মক দৃষ্টিভংগীৰ। ইয়াৰ অবিহনে আত্মজীৱনী ধাৰাবিৱৰণীত পৰ্য্যবসিত হয়।

আত্মজীৱনী সাৰ্থক সাহিত্য পৰ্য্যায়লৈ উঠিব পাৰেনে, ই কলা বুলি

অনুমোদন পাবৰ যোগ্যনে ইত্যাদি বিতৰ্কমূলক প্ৰশ্ন উত্থাপনৰ অৱকাশ আছে। কোনো কোনো লেখকে নিজৰ জীৱনীক সুসাহিত্য কৰি তুলিবৰ উদ্দেশ্যে কিছুমান তুচ্ছ ঘটনাকো অযথা প্ৰাধান্য দিয়া আৰু কিছুমান গুৰুত্বপূৰ্ণ কথাকো তল পেলাই থোৱা দেখা গৈছে। ইয়াৰ ফলস্বৰূপে আত্মজীৱনী এখন সুখপাঠ্য হয়তো হয়, কিন্তু লেখকৰ জীৱনৰ যি সামগ্ৰিক সত্য, তাৰ পূৰ্ণপ্ৰকাশ নঘটে।

কিন্তু জীৱনৰ ডাঙৰ-সৰু সমস্ত ঘটনাকে যে আত্মজীৱনী লেখকে নিৰ্বিচাৰে তেওঁৰ ৰচনাত ঠাই দিব লাগে, তেনেও নহয়; এৰা-ধৰা তেওঁ কৰিবই লাগিব, মাত্ৰ তেওঁ জানিব লাগিব কোনটো এৰি কোনটো ধৰিলে সত্য আৰু কলা উভয়ৰে দাবী পূৰণ হ'ব।

জীৱনী আৰু আত্মজীৱনী উভয়ৰে এক সাধাৰণ উদ্দেশ্য আছে। আঁড্ৰে মৰোৱাৰ ভাষাৰে ক'বলৈ গ'লে, 'এক অজ্ঞাত শিশু ক্ৰমে ক্ৰমে এজন সুবিখ্যাত পুৰুষ হৈ উঠাৰ চিত্তাকৰ্ষক কাহিনীক যথাযথভাৱে পাঠকৰ আগত দাঙি ধৰাই কলা হিচাপে জীৱনী সাহিত্যৰ উদ্দেশ্য।' (The art of biography consists in making real to the reader the process by which the obseure infant became the famous man.')।

বিশ্বসাহিত্যৰ উল্লেখযোগ্য আত্মজীৱনীৰ ভিতৰত ছেইন্ট আগষ্টাইন আৰু ৰুছ'ৰ প্ৰত্যেকৰে 'Confessions', ষ্টুৱাৰ্ট মিল, গেটে, গিবন আৰু সাম্প্ৰতিক কালৰ ষ্টিফেন স্পেণ্ডাৰ আৰু মহাত্মা গান্ধীৰ আত্মজীৱনী অন্যতম।

অসমীয়া সাহিত্যত পদ্মনাথ গোহাঞিবৰুৱাৰ 'মোৰ সোঁৱৰণী' আৰু বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ' উল্লেখযোগ্য ৰচনা, কিন্তু ইয়াৰ এখনো কলাৰ পৰ্য্যায়লৈ উঠিব পৰা নাই।